**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত পৰ্যালোচনা বৈঠক।

২। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামত ৰাষ্ট্ৰীয় বঁটা প্ৰৱৰ্তন কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ চৰকাৰক আহ্বান।

৩। সংসদৰ বাজেট অধিৱেশন অহা ৩১ জানুৱাৰীত আৰম্ভ। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ ১ ফেব্ৰুৱাৰীত সদনত কেন্দ্ৰীয় বাজেট দাখিল।

৪। জোনবিল মেলাৰ আজি তৃতীয় তথা অন্তিম দিনা গোভা ৰজাৰ প্ৰতীকিৰূপত দ্বিতীয়খন ৰাজদৰবাৰ।
**আৰু**

৫। খো খো বিশ্বকাপত ভাৰতৰ পুৰুষ আৰু মহিলা দুয়োটা দল ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০০

গুৱাহাটীত অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত এখন বৈঠক অনুষ্ঠিত হয়। দেশ-বিদেশৰ ভালেমান উদ্যোগপতিয়ে অংশগ্ৰহণ কৰিবলগীয়া এই বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ বাবে বাজেটকে ধৰি প্ৰচাৰ আৰু প্ৰসাৰ, মহানগৰীৰ সৌন্দৰ্যবৰ্ধন, আলোকসজ্জা, ৰাস্তা-ঘাটৰ উন্নয়ন আৰু আন কেতবোৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ অগ্ৰগতি সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিষয়ববীয়াৰ পৰা খতিয়ান লয়। ড° শৰ্মাই এই অনুষ্ঠান সফল কৰি তোলাৰ বাবে বহু গুৰুত্বপূৰ্ণ আৰু গঠনমূলক পৰামৰ্শ আগবঢ়ায়।

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে **বিকশিত অসম, বিকশিত ভাৰত** শীৰ্ষক এখন বিশেষ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তৰ অধ্যক্ষতাত কালি জনতা ভৱনত এই প্ৰদৰ্শনীৰ উপ-সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিবকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰা এই বৈঠকত প্ৰদৰ্শনীৰ প্ৰস্তুতিপৰ্বৰ সৈতে জড়িত বিভিন্ন দিশসমূহ বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০

সদৌ অসম ছাত্ৰ সন্থাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামত ৰাষ্ট্ৰীয় বঁটা প্ৰৱৰ্তন কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। সদৌ হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত দুদিনীয়াকৈ অনুষ্ঠিত কেন্দ্ৰীয় শিল্পী দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি কালি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই এই আহ্বান জনায়। উপদেষ্টাগৰাকীয়ে এই মুকলি সভাতেই কাকী

আঞ্চলিক ছাত্ৰ সন্থাৰ দুখনকৈ স্মাৰক গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত জিলাভিত্তিত চিত্ৰাংকন, মুকলি কুইজ আৰু জ্যোতিসংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

গোলাঘাট জিলাৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত শিল্পী দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত কালি বিশিষ্ট সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হয়। অসমীয়া সংগীত জগতলৈ আগবঢ়োৱা অনন্য অৱদানৰ বাবে তেওঁলোকলৈ এই বঁটা আগবঢ়োৱা হয়। অনুষ্ঠানত বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনক বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা, প্ৰবীন অভিনেত্ৰী হীৰা নেওগক সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা আৰু বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মক জননেতা ভীমবৰ দেউৰী বঁটা প্ৰদান কৰা হয়।

০০০০০০

সংসদৰ বাজেট অধিৱেশন অহা ৩১ জানুৱাৰীত আৰম্ভ হ'ব। বাজেট অধিৱেশনৰ প্ৰথমদিনা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ১ ফেব্ৰুৱাৰীত সদনত কেন্দ্ৰীয় বাজেট দাখিল কৰিব। বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায় ৩১ জানুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ আৰু দ্বিতীয় পৰ্যায় ১০ মাৰ্চৰ পৰা ৪ এপ্ৰিললৈ অনুষ্ঠিত হ'ব। এই বাজেট অধিৱেশনত ২৭ খন বৈঠক অনুষ্ঠিত হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গণৰাজ্য দিৱসত ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ত্ৰিৰংগ পতাকা উত্তোলন কৰিব। লোকসেৱা ভৱনত আয়োজিত এখন বৈঠকত কালি মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৱাহাটী আৰু ডিব্ৰুগড়ত সমাগত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতিৰ বুজ লয়। এইবাৰ নৱগঠিত সমজিলাসমূহতো গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। জিলা ভিত্তিত আয়োজিত কাৰ্যসূচীৰ দৰে সম জিলাকেইখনতো যাতে গণৰাজ্য দিৱসত আৰক্ষীৰ পেৰেড অনুষ্ঠিত হয়, তাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। সমাগত গণৰাজ্য দিৱস উপলক্ষে সকলো প্ৰান্ততে চাফাই অভিযান আৰম্ভ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়ে। গণৰাজ্য দিৱসৰ প্ৰাক্‌ক্ষণত ২৫ জানুৱাৰীৰ আবেলি গুৱাহাটী আৰু ডিব্ৰুগড়ত অসম আৰক্ষীয়ে **ৰোডপাষ্ট** কাৰ্যসূচী গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে অন্যান্য জিলা সদৰসমূহতো এনে কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তত্বাৱধানত কাইলৈ হ'বলগীয়া চৰকাৰী আৰু প্ৰাদেশিকীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষা, টেট সুচাৰুৰূপে পৰিচালনা সন্দৰ্ভত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। শিক্ষামন্ত্ৰীয়ে বৈঠকত টেট পৰীক্ষা হ'বলগীয়া জিলাকেইখনৰ আয়ুক্ত, বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু আৰক্ষী অধীক্ষকসকলক এইক্ষেত্ৰত যাৱতীয় নীতি-নিৰ্দেশনা দিয়ে। উল্লেখযোগ্য যে ৰাজ্যৰ ৯ খন জিলাত ৩৯ হাজাৰ ২২৪ গৰাকী প্ৰাৰ্থীয়ে স্নাতক শিক্ষক আৰু ৩০ হাজাৰ ৩৫৮ গৰাকী প্ৰাৰ্থীয়ে স্নাতকোত্তৰ শিক্ষকৰ বাবে টেট পৰীক্ষাত অৱতীৰ্ণ হ'ব।

০০০০০০

গৃহ মন্ত্ৰালয়ে এখন আনুষ্ঠানিক অধিসূচনা জাৰি কৰি কালি অসম আৰক্ষী সেৱাৰ ১৭ গৰাকী বিষয়াক ভাৰতীয় আৰক্ষী সেৱা, অৰ্থাৎ আই পি এছলৈ মনোনীত কৰে। আই পি এছলৈ মনোনীত এই ১৭ গৰাকী বিষয়া অসম মেঘালয় কেডাৰত নিযুক্ত হ'ব।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ ফৰেষ্ট ব্লকত কালি আৰক্ষী আৰু চি আৰ পি এফে অভিযান চলাই এজন লোকৰ বাসগৃহৰ পৰা প্ৰায় ১৬ হাজাৰ নিচাযুক্ত টেবলেট জব্দ কৰিছে। জব্দকৃত নিচাযুক্ত সামগ্ৰীখিনিৰ বজাৰ মূল্য ৫ লাখ টকাৰো অধিক হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। নিচাযুক্ত সামগ্ৰীখিনি লুকুৱাই ৰখা চামাদ আলী নামৰ ব্যৱসায়ীজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাৰ আজি তৃতীয় দিনা গোভা ৰজা দীপসিং দেওৰজাই দুপৰীয়া দ্বিতীয়খন ৰাজদৰবাৰ অনুষ্ঠিত কৰিব। এই ৰাজদৰবাৰত মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাই অংশগ্ৰহণ কৰিব। গোভা দেওৰজাৰ অৰম বিলত সমূহীয়া মাছ ধৰা পৰ্ব আৰু ৰজাৰ বিষয়াবৰ্গই প্ৰতীকি ৰূপত কৰ সংগ্ৰহৰ পাছতে তিনিদিনীয়া এই মেলাৰ সামৰণি পৰিব। আহক আমি এই সন্দৰ্ভত সবিশেষ জানিবলৈ আমাৰ মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকনৰ ওচৰলৈ যাওঁ - **বাইট**

০০০০০০

বাক্সা জিলাৰ উত্তৰ প্ৰান্তৰ ভাৰত-ভূটান সীমান্তৰ সুৱণখাটাত কালিৰেপৰা ৮ দিনীয়া কাৰ্যসূচীৰে ভাৰত-ভূটান বন্ধুত্ব মেলা অনুষ্ঠিত হৈছে। ভূটানৰ ডেকা-গাভৰুৰ নৃত্যৰে সুৱণখাটাৰ এই ভাৰত-ভূটান মৈত্ৰী মেলাৰ বাকৰি মুখৰিত হোৱাৰ উপৰি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকনৃত্যৰ মিলনভূমিত পৰিণত হ'ব। উল্লেখযোগ্য যে বিগত ১২ বছৰে বৃহত্তৰ সুৱণখাটাৰ ৰাইজে ভূটানৰ নাগৰিকৰ সৈতে মিলি এই ভাৰত-ভূটান মৈত্ৰী মেলা অনুষ্ঠিত কৰি আহিছে। এই মেলাৰ সৈতে সংগতি ৰাখি একেলগে ৭৩ সংখ্যক সুৱণখাটা মাঘ মেলা অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত অধিক জনাইছে বাক্সা জিলাৰ আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে –

**-বাইট-**

আজিৰপৰা চলিত মাহৰ ২৪ তাৰিখলৈ হ'বলগীয়া এই মেলাৰ প্ৰথম দিনৰ কাৰ্যসূচীত মুখ্য দ্বাৰ মুকলি, মাঘ মেলাৰ পতাকা উত্তোলন, দুয়ো দেশৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ভাৰত-ভূটান মৈত্ৰী মেলাৰ জৰিয়তে দুয়োখন ৰাষ্ট্ৰৰ সম্পৰ্ক অধিক সুদৃঢ় হ'ব বুলি উদযাপন সমিতিয়ে সদৰি কৰে।

০০০০০০

অসমৰ মাজুলীৰ লগতে উত্তৰ-পূবৰ কেইবাগৰাকীও পুৰোহিত আৰু সত্ৰাধিকাৰ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলালৈ আজি ৰাওনা হৈছে। মাজুলীৰ আউনীআটি, দক্ষিণপাট আৰু উত্তৰ কমলাবাৰী সত্ৰৰ ভকত-বৈষ্ণৱৰ লগতে ৰাজ্যৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ এই মেলাত উপস্থিত থাকিব। উল্লেখযোগ্য যে উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে প্ৰথমবাৰৰ বাবে মহাকুম্ভ মেলাত নামঘৰ, মণিকূট আৰু ৰাঙলি চ'ৰা নিৰ্মাণ কৰি উলিয়াইছে। ভকত-বৈষ্ণৱৰ এই দলটোৱে ভাগৱত পাঠ, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু নাম-প্ৰসংগ পৰিৱেশন কৰিব। আমাৰ পূৰ্বৰ বাতৰিতে উল্লেখ কৰা হৈছিল যে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে সত্ৰাধিকাৰসকলক মেলালৈ আমন্ত্ৰণ জনোৱাৰ লগতে তেওঁলোকক বিশেষ অতিথিৰ মৰ্যাদা দিয়া হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০০

শিৱসাগৰ জিলাৰ মৰাণৰ বকতাত থকা টাই-আহোম বসতিপ্ৰধান গাঁও কৰঙাত কালি ম্যানমাৰৰ এটা ২৫ জনীয়া দল উপস্থিত হয়। তেওঁলোক আটায়ে হৈছে ১২২৮ খ্ৰীষ্টাব্দত পাটকাই পাৰ হৈ আহি অসমত ৰাজ্য স্থাপন কৰা চাওলুং চুকাফাৰ মোমায়েকৰ পুত্ৰ ৰজা চুকানফাৰ বংশধৰ। দলটোৱে অসমত টাই-আহোমসকলৰ জীৱন শৈলী, কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য, পৰম্পৰাগত আচাৰ-নীতিৰ আদিৰ বুজ ল'ব। দলটো ১৩ জানুৱাৰীত ডিব্ৰুগড়ত উপস্থিত হয় আৰু জিলাখনৰ বিভিন্ন অঞ্চলৰ  টাই-আহোম লোকসকলৰ সৈতে মত বিনিময় কৰে। কালি দুপৰীয়া কৰঙাবাসীয়ে অতিথিসকলক একোখন ফাচিতেৰে সম্বৰ্ধনা জনায়। তেওঁলোকে পৰম্পৰাগত পিঠা-পনা, খাদ্য-পানীয়ৰ জুতি লোৱাৰ লগতে বান বাটিত পৰিৱেশন কৰা চাহ গ্ৰহণ কৰি অভিভূত হৈ পৰে। কৰঙাত স্থানীয় মলুং সকলৰ সৈতে তেওঁলোকে কথা পাতে। অতিথিসকলে স্থানীয় লোকৰ সৈতে পৰম্পৰাগত নৃত্যতো অংশগ্ৰহণ কৰে। তেওঁলোকে মৰাণত থকা টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান পৰিদৰ্শন কৰে।

000000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সমূহীয়া অনাতাঁৰ কেন্দ্ৰ বিষয়ক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত ৰাজ্যখনৰ কেইবাটাও সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ উপস্থাপকসকলে অংশগ্ৰহণ কৰিব। ষ্টুডিঅ'ত থাকিব সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ এগৰাকী অন্যতম বাটকটীয়া ভাস্কৰজ্যোতি আচাৰ্য আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ।

000000

সদৌ অসম মটক ছাত্ৰ সন্থাই অহা ২৩ জানুৱাৰীত তিনিচুকীয়াৰ পানীতোলা যুৱ সংঘৰ খেলপথাৰত সংগঠনটোৰ ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰিছে। সংগঠনটোৱে অসমৰ সমাজ জীৱনলৈ বিশেষভাৱে অৱদান আগবঢ়োৱা একোজন সমাজ হিতৈষী ব্যক্তিক প্ৰতিবছৰে বেংমৰা সমন্বয় বঁটা আগবঢ়াই আহিছে। এইবছৰ এই বঁটা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা মন্ত্ৰী অতুল বৰালৈ আগবঢ়োৱা হৈছে।

000000

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰিয়ে স্থান পোৱা আমাৰ দৃষ্টিগোচৰ হৈছে।

**এডভাণ্টেজ আছামৰ প্ৰস্তুতিক লৈ দিছপুৰত গুৰুত্বপূৰ্ণ বৈঠক, জাপান অভিমুখে মুখ্যমন্ত্ৰী** শিৰোনামেৰে অসমীয়া খবৰ কাকতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এডভাণ্টেজ আছামৰ ৰোড শ্ব' আৰু বিনিয়োগকাৰী সন্মিলনক ভাগ লোৱাৰ পাছত জাপানলৈ যাবলগীয়া বাতৰিটো মুখ্য বাতৰিত স্থান দিছে।

গুজৰাটৰ জামনগৰত অৱস্থিত আম্বানি পৰিয়ালৰ চিৰিয়াখানা, বনতাৰা লৈ অসম আৰু অৰুণাচল প্ৰদেশৰ পৰা পুনৰ ৩৩টা হাতী লৈ যোৱাৰ যো-জা চলোৱাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **অসম অৰুণাচলৰ পৰা গুজৰাটলৈ গোপনে হস্তী সৰবৰাহৰ তৎপৰতা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিতৰ্কৰ মাজতে ছবি গৃহলৈ **ইমাৰ্জেন্সী** শিৰোনামেৰে আমাৰ অসম কাকতে সীমাহীন বিতৰ্কৰ মাজতে শুকুৰবাৰে ছবিগৃহলৈ অহা কংকনা ৰাণাৱতৰ নতুন ছবি **EMERGENCY**ৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

অহা ৩১ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বাজেট অধিৱেশনৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে **BUDGET SESSION FROM JANUARY 31 TO APRIL 4** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ড০ অনিমা চৌধুৰী, মুকুল ৰাভা, ৰেবা ফুকন, হীৰা নেওগ, জলেশ্বৰ ব্ৰহ্মক শিল্পী বঁটা প্ৰদান শিৰোনামেৰে দৈনিক অসম কাকতে চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সংযোগত পালন কৰা শিল্পী দিৱসত বিশিষ্ট শিল্পীসকলক ২০২৫ৰ শিল্পী বঁটা প্ৰদান কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

এইবাৰ ৰাজ্যত গণৰাজ্য দিৱস কিছু সুকীয়াকৈ উদযান কৰিব ওলোৱা বাতৰিটো দৈনিক জনমভূমি কাকতে গুৱাহাটীত ৰাজ্যপালে, ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীয়ে উৰুৱাব পতাকা, ৩৯ খন সমজিলাত হ'ব গণৰাজ্য দিৱস শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালসহ ৰাজ্যিক বিজেপিৰ ২২ জন সদস্যই আনুষ্ঠানিকভাবে বিজেপিৰ ৰাষ্ট্ৰীয় পাৰিষদত স্থান লাভ কৰা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে বিজেপিৰ ৰাষ্ট্ৰীয় পৰিষদ, মুখ্যমন্ত্ৰী ড০ শৰ্মা, সোণোৱালসহ স্থান লাভ ২২ জন সদস্যৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰতিদিনে পুৱা ৭ বাজি ৫৫ মিনিট আৰু সন্ধিয়া ৬ বজাত প্ৰচাৰ কৰি অহা বাতৰিত **উজনিৰ বাতৰি** বুলি নামকৰণ কৰাৰ বাবে কিছুসংখ্যক শ্ৰোতাই আপত্তি দৰ্শোৱা বাতৰি বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত বাতৰি বিভাগে স্পষ্ট কৰিব বিচাৰে যে, ৰাজ্যখনক উজনি আৰু নামনি নামেৰে বিভাজন কৰাৰ কোনো উদ্দেশ্য বাতৰি বিভাগৰ নাই। আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশমৰ্মে পূৰ্বে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বাতৰি বুলেটিন বৰ্তমান গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হৈছে। সেয়েহে এই বাতৰিক **উজনিৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছিল। তৎসত্ত্বেও শ্ৰোতাসকলৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনাই আজিৰে পৰা এই দুয়োখন বাতৰি বুলেটিনক **উজনি অসমৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছে। এই বাতৰি বুলেটিনকো অসমৰ সকলো শ্ৰোতাই আদৰি ল'ব বুলি আশা কৰা হৈছে।

০০০০০০

নতুন দিল্লীত চলি থকা খো খো বিশ্বকাপ ২০২৫ প্ৰতিযোগীতাত ভাৰতৰ পুৰুষ আৰু মহিলা দুয়োটা দলে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাখনত দুয়োটা দলেই বৰ্তমানলৈকে সকলো মেচতে অপৰাজেয় হৈ আছে। ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত কালি শ্ৰীলংকাৰ বিৰুদ্ধে ১০০ আৰু ৪০ ফলাফলত ভাৰতীয় পুৰুষৰ দলটোৱে জয়লাভ কৰে। শ্ৰীলংকাই বহু চেষ্টা কৰিও ভাৰতৰ আগ্ৰাসী স্থিতিৰ বিৰুদ্ধে যুঁজিবলৈ ব্যৰ্থ হয়। কালিৰ খেলখনত ৰামজী কাশ্যপে শ্ৰেষ্ঠ খেলুৱৈ আৰু ভি সুব্ৰমণীয়ে শ্ৰেষ্ঠ আক্ৰমণাত্মক খেলুৱৈ বঁটা লাভ কৰে। শ্ৰীলংকাৰ দলটোৰ ছাচিনাডুক মেচখনৰ শ্ৰেষ্ঠ ৰক্ষণাত্মক খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়। ইফালে ভাৰতীয় মহিলা দলটোৱে কালি আন এখন খেলত বাংলাদেশক ১০৯ আৰু ১৬ ফলাফলত পৰাস্ত কৰে। অশ্বনী শিণ্ডেক শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান আৰু ঋতু ৰাণী সেনক শ্ৰেষ্ঠ ৰক্ষণাত্মক খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। মগাই মাঝিক খেলখনৰ শ্ৰেষ্ঠ আক্ৰমণাত্মক খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়।

০০০০০০

ইণ্ডিয়ান ছুপাৰ লীগৰ আজি কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱে কেৰালা ব্লাষ্টাৰ্ছৰ মুখামুখি হ'ব। শেহতীয়া তিনিখন খেলত ড্ৰ খেলা নৰ্থ ইষ্ট ইউনাইটেডৰ বাবে আজিৰ খেলখন গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। ২৪ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানত থকা নৰ্থ ইষ্ট ইউনাইটেডে ইয়াৰ পূৰ্বে গুৱাহাটীত কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে ড্ৰ খেলিছিল।

০০০০০০

বতৰৰ বতৰা– ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ ঘাইকৈ ফৰকাল হৈ থাকিব বুলি আগলি বতৰা দিছে। ৰাজ্যকেইখনত ঠায়ে ঠায়ে পাতল কুঁৱলী পৰাৰ সম্ভাৱনা আছে।

বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ফৰকাল হৈ থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৭ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ।

০০০০০০

সমাপ্ত